DAINIK ASAM, Guwahati, Monday, January 23, 2023

দৈনিক অসম

# আজিৰেপৰা গোৱালপাৰা মহাবিদ্যালয়ত জি- ২০ শীৰ্ষক বৌদ্ধিক সন্মিলন

নিজা বাতৰি দিওঁতা

গোৱালপাৰা, ২২ জানুৱাৰী ঃ গোৱালপাৰা মহাবিদ্যালয়ে জি-২০ সন্মিলনৰ মান্যতা লাভ কৰাৰ পাছত জিলা প্ৰশাসনৰ সহযোগ আৰু পৰামৰ্শত কাইলৈৰ পৰা ৩ ফেব্ৰুৱাৰীলৈ বৌদ্ধিক সন্মিলনৰ আয়োজন কৰিছে। ইতিমধ্যে অধ্যক্ষ ড° সুভাষ বৰ্মণৰ নেতৃত্ব আৰু পৰিকল্পনাত মহাবিদ্যালয়খনৰ সংশ্লিষ্ট সকলোৱে সন্মিলন সাৰ্থক কৰি তুলিবলৈ কাৰ্যসূচী আজি ঘোষণা কৰিছে। কাইলৈ পুৱা ৯ বজাত বিশখন জি -২০ পতাকা উত্তোলনেৰে অধ্যক্ষ ড° সুভাষ বৰ্মনে সন্মিলনৰ শুভাৰম্ভ কৰিব। জিলা উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে জি-২০/ ৱাই-২০ প্ৰাক্ ইভেণ্ট গোৱালপাৰা জিলাত উদ্বোধন কৰিব পুৱা ১০ বজাত। ১০-৩০ বজাত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে প্ৰথমখন আলোচনা-সত্ৰ, ১০ বজাত অধ্যাপকসকলৰ আলোচনা সত্ৰ। ২৮ জানুৱাৰীত আলোচনা-সত্ৰ উদ্বোধন কৰিব অধ্যক্ষ ড° সুভাষ বৰ্মনে। উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে বক্তৃতা দিব আৰু মুখ্য আলোচক হিচাপে অংশ ল'ব গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° অখিল ৰঞ্জন দত্তই। ৩০ জানুৱাৰীত 'স্কিল এজ এম্পাৱাৰমেণ্ট ঃ এন ই পি ২০২০ ইণ্ডিয়াজ ষ্টৰী অব ডেভেলপমেণ্ট এণ্ড দি ইয়ং পপুলেচন' শীৰ্ষক কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশ ল'ব কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অংকুৰজ্যোতি ভূঞাই। ১ ফেব্ৰুৱাৰীত উলিওৱা হ'ব জি ২০ পতাকা আৰু জি ২০ৰ ভিজনেৰী লীডাৰৰ প্ৰতিচ্ছবি লৈ ছাত্ৰ-ছাত্ৰীৰ চাইকেল ৰেলী। ১১ বজাত গোৱালপাৰা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° জয়ন্ত কুমাৰ ব্ৰহ্মৰ পৰিচালনাত আন্তঃজিলা কুইজ প্ৰতিযোগিতা। ২ ফেব্ৰুৱাৰীৰ আলোচনা সত্ৰত নিমন্ত্ৰিত বক্তা হিচাপে উপস্থিত থাকি অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ তথা অসম প্ৰশাসনীয় লোক সেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰঞ্জিৎ বৰঠাকুৰ। ৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব আন্তঃজিলা তৰ্ক প্ৰতিযোগিতা। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ বিজয়ীসকলে গুৱাহাটীৰ আই আই টিত অনুষ্ঠিত হ'বলগীয়া ৬ আৰু ৭ ফেব্ৰুৱাৰীৰ সন্মিলনত অংশ ল'বলৈ সুযোগ পাব বুলি আয়োজক পক্ষই উল্লেখ কৰিছে।